# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১

ফোন : ০১১–২৩০০৫৭০০, ফেক্স : ০১১–২৩০০৫৭৮৭


৫ ফেব্ৰুৱাৰী ২০১৩

## বিজেপিৰ জ্যেষ্ঠ নেতা মুৰলী মনোহৰ যোশীয়ে জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ কমিটী অফ চেংচনৰ ২০০৯ চনৰ জুন মাহৰ প্ৰস্তাৱ তথা ২০০৯ বৰ্ষৰ জুলাই মাহত আমেৰিকাৰ ট্ৰেজাৰী বিভাগৰ ঘোষণাৰ পৰা এইটো প্ৰমাণ হয় যে– লস্কৰ ই তৈবাৰ প্ৰধান সম্পৰ্কৰক্ষাকাৰী আৰিফ কাচমানিয়ে আল কইদাৰ সৈতে মিলি সমঝোতা এক্সপ্ৰেছৰ বিস্ফোৰণৰ খৰছ তথা সামগ্ৰী যোগান ধৰিছিল। এই কথাও সন্মুখলৈ আহিছে যে– পাকিস্তানৰ আভ্যন্তৰীণ মন্ত্ৰী শ্ৰী ৰহমান মালিকে ২০১০ চনৰ জানুৱাৰী মাহত কৈছিল যে, পাক সন্ত্ৰাসবাদীক উক্ত বিস্ফোৰণৰ বাবে ভাড়া কৰা হৈছিল। এই কথাও পোহৰলৈ আহিছে যে– ডেভিদ কনমেন হেডলীৰ তৃতীয় পত্নী ফৈজা ঔতালহাই স্বীকাৰ (২০০৮ চনত, কিন্তু সেয়া জানিব পৰা গৈছিল ২০১০ত) কৰিছিল যে– সমঝোতা বিস্ফোৰণৰ সৈতে হেডলি জড়িত আছিল আৰু তেওঁ নিজেও নজনাকৈয়ে জড়িত হৈ পৰিছিল (পেৰেগ্ৰাফ ২১–২৬)। নাৰ্কো টেষ্টৰ সময়ত ছিমি নেতাসকলে জনায় যে– (২০০৭ ত হয়, প্ৰকাশ পায় ২০০৮ত) এই বিস্ফোৰণত জড়িত থকা পাকিস্তানীসকলক তেওঁলোকে সহায় কৰিছিল।

এই তথ্যসমূহ জনসাধাৰণৰ সন্মুখত আছে যে– পাকিস্তানৰ সৈতে যোগাযোগ ৰক্ষা কৰি কৰাচীৰ ব্যৱসায়ী আৰিফ কাচমানি, লস্কৰ আৰু আল কইদা, ডেভিদ কনমেন হেডলী আৰু তেওঁৰ তৃতীয় পত্নী ফৈজা ঔতালহা তথা ইণ্ডোৰৰ ছিমিৰ সহায়ত এই বিস্ফোৰণ হয়, কিন্তু এন আই এ–ৰ তদন্তত ইয়াক গাপ দি ৰখা হৈছে। এই যিবোৰ তথ্য প্ৰমাণ পোহৰলৈ আহিছে সি এন আই এ–ৰ চাৰ্জশ্বিটক খাৰিজ কৰি দিছে।

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ কমিটী অফ চেংচনে যি তথ্য প্ৰমাণ পোহৰলৈ আনিছে সেয়া হ'ল এনেধৰণৰঃ

- ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ কমিটী অফ চেংচনৰ ২০০৯ চনৰ জুন মাহৰ প্ৰস্তাৱ (পেৰেগ্ৰাফ ১৮) আৰু ২০০৯ চনৰ জুলাই মাহৰ আমেৰিকাৰ ট্ৰেজাৰী বিভাগৰ ঘোষণা (পেৰেগ্ৰাফ ১৯)ত কোৱা হৈছে যে– লস্কৰ ই তৈবাৰ প্ৰধান সম্পৰ্ক ৰক্ষাকাৰী আৰিফ কাচমানিয়ে বিস্ফোৰণৰ খৰচ যোগান ধৰিছিল আৰু আল কইদাই বিস্ফোৰক তথা আন বস্তু দিছিল।
- পাকিস্তানৰ আভ্যন্তৰীণ মন্ত্ৰী শ্ৰী ৰহমান মালিকে ২০১০ৰ জানুৱাৰীত স্বীকাৰ কৰিছিল (পেৰেগ্ৰাফ ২০) পাকিস্তানৰ সন্ত্ৰাসবাদীক এই বিস্ফোৰণৰ বাবে ভাড়া কৰা হৈছিল।

- ডেভিদ কনমেন হেডলীৰ তৃতীয় পত্নী ফৈজা ঔতালহাই স্বীকাৰ (২০০৮ চনত যদিও জানিব পৰা গৈছিল ২০১০ত) কৰিছিল যে- সমঝোতা বিস্ফোৰণৰ সৈতে হেডলি জড়িত আছিল আৰু তেওঁ নিজেও নজনাকৈ জড়িত হৈছিল (পেৰেগ্ৰাফ ২১-২৬)। আৰু
- নাৰ্কো টেষ্টৰ সময়ত ছিমিৰ নেতাসকলে জানিবলৈ দিয়ে (২০০৭ ত হয় কিন্তু জানিব পৰা যায় ২০০৮ত) যে- বিস্ফোৰণত জড়িত থকা পাকিস্তানীসকলক তেওঁলোকে সহায় কৰিছিল।

এই তথ্য প্ৰমাণসমূহে এন আই এ-ৰ চাৰ্জশ্বিটক খাৰিজ কৰি দিছে আৰু ৰাজনৈতিক প্ৰতিষ্ঠানৰ অশুভ মনোভাৱ তথা ইচ্ছাক সকলোৰে সন্মুখত তুলি ধৰিছে।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত